# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ooooo

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ চলি আছে। এই পৰ্যায়ত ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ১৪টা, হাৰিয়ানাৰ ১০, বিহাৰৰ ৮টা, পশ্চিমবংগৰ ৮টা, দিল্লীৰ ৭টা, ওড়িশাৰ ৬টা, ঝাৰখণ্ডৰ ৪টা আৰু জম্মু কাশ্মীৰৰ এটা সমষ্টি আছে। শেহতীয়া খবৰ অনুসৰি বিয়লি ৩ বজা পৰ্যন্ত সামগ্ৰিকভাৱে ৪৯ শতাংশ ভোটদান সম্পন্ন হৈছে। এই সময়ছোৱাত পশ্চিমবংগত ৭০ শতাংশ, ঝাৰখণ্ডত ৫৪ শতাংশ, উত্তৰ প্ৰদেশত ৪৪ শতাংশ, হাৰিয়ানাত ৪৬ শতাংশ, বিহাৰত ৪৫ শতাংশ, জম্মু কাশ্মীৰত ৪৪ শতাংশ, দিল্লীত ৪৪ শতাংশ আৰু ওড়িশাত ৪৮ শতাংশ ভোটদান সম্পন্ন হৈছে।

এই পৰ্যায়ত মুঠ ৮৮৯গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ই ভি এম আজি ৰাজনৈতিক ভাগ্য বন্দী হ'বলগীয়া বিজেপিৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে মানেকা গান্ধী, ধৰ্মেন্দ্ৰ প্ৰধান, মনোহৰ লাল খট্টৰ, মনোজ তিৱাৰী, বাঁসুৰী স্বৰাজ আদি। কংগ্ৰেছৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে- দীপেন্দৰ সিং হুদা, কুমাৰী ছেলজা, ৰাজবাববৰ, কানহাইয়া কুমাৰ আদি। জম্মু-কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফতীয়ে।

ষষ্ঠ পৰ্যায়ত এক লাখ ১৪ হাজাৰ ভোটকেন্দ্ৰত ১১ কোটিৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। পুৱা ৭ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্ধিয়া ৬ বজাত অন্ত পৰিব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি পুৱাৰ ভাগতে নতুন দিল্লীত তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। শ্ৰীমতী মুৰ্মুৱে ৰাষ্ট্ৰপতি ভৱন চৌহদত অৱস্থিত ড০ ৰাজেন্দ্ৰ প্ৰসাদ কেন্দ্ৰীয় বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, কেন্দ্ৰীয় মন্ত্ৰী ড০ এছ্ জয়শংকৰ, হৰদ্বীপ সিং পুৰী, জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনীয়া গান্ধী, ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ৰাদ্ৰা, আম আদমী পাৰ্টীৰ নেত্ৰী আতিশী, মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰেও দিল্লীৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান সাব্যস্ত কৰিছে। তদুপৰি গৃহ বিভাগৰ সচিব অজয় ভাল্লা, চি পি আই এমৰ নেত্ৰী বৃন্দা কাৰাট, বিজেপি দলৰ প্ৰাৰ্থী মনোজ তিৱাৰী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী উদিত ৰাজেও তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। আকাশবাণীৰ সংবাদদাতাই জনোৱা অনুসৰি দেশৰ ৰাজধানীৰ প্ৰচণ্ড গৰমকো নেওচি পুৱাৰে পৰাই বহু সংখ্যক ভোটদাতাই ভোটদানৰ বাবে ওলাই আহিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ৰাজ্য চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে সমগ্ৰ ৰাজ্যতে অভিযান অব্যাহত ৰাখিছে। এচাম যুৱ প্ৰজন্মৰ মাজত ড্ৰাগছৰ প্ৰতি আসক্তি বৃদ্ধি পোৱাৰ ফলত তেওঁলোকৰ লগতে সমাজ জীৱনত নেতিবাচক প্ৰভাৱ পৰাৰ প্ৰতি লক্ষ্য ৰাখি  সমগ্ৰ ৰাজ্যতে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই , ৰাজ্য চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানৰ অধীনত বৰ্তমানলৈকে দুহেজাৰ ১৬৬ কোটি টকাতকৈও অধিক নিচাজাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে বুলি অৱগত কৰে।

00000

ৰাজ্যৰ আন ভিন ভিন স্থানৰ লগতে বৰপেটা আৰু সুন্দৰীদিয়া সত্ৰত অনুষ্ঠিত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৫ সংখ্যক আৱিৰ্ভাৱ তিথি মহোৎসৱৰ আজি সামৰণি পৰে। বৰপেটা সত্ৰত দুদিনীয়া কাৰ্য্যসূচীৰে আয়োজিত অনুষ্ঠানৰ আজি আইসকলৰ নামেৰে সামৰণি মৰা হয়। আনহাতে, সুন্দৰীদিয়া সত্ৰত তিনিদিনীয়াকৈ আয়োজিত কাৰ্য্যসূচীৰ সৈতে সংগতি ৰাখি সত্ৰৰ দালান তথা  মূল প্ৰৱেশ পথৰ সন্মুখৰ পৰা আজি এটা ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাই সমগ্ৰ সুন্দৰীদিয়া অঞ্চল পৰিভ্ৰমণ কৰে। আনহাতে, ইয়াৰ পূৰ্বে যোৱা নিশা আয়োজিত ধৰ্মালোচনা সভাত ধুবুৰীৰ ৰামৰায়কুঠি সত্ৰৰ সত্ৰাধিকাৰ জীতেন্দ্ৰ নাথ প্ৰধানীক মাধৱদেৱ বঁটা প্ৰদান কৰা হয় বুলি আকাশবাণীৰ বৰপেটাৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে, সুন্দৰীদিয়া সত্ৰই প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি আহিছে।

00000

দৰং জিলাৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বন সুৰক্ষা কৰ্মী আৰু দলগাঁও থানাৰ আৰক্ষীয়ে যুঁটীয়াভাৱে অভিযান চলাই যোৱা নিশা উদ্যানখনৰ পৰা এটা চোৰাং চিকাৰী আটক কৰে। ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ভৰপুৰ গাঁৱৰ হুছেইন আলী নামৰ চোৰাং চিকাৰীটোৱে ৰাষ্ট্ৰীয় উদ্যানখনত গঁড় হত্যাৰ পৰিকল্পনা কৰিছিল বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি ৰাজ্যৰ আন আন উদ্যানসমূহত চোৰাং চিকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

00000

আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে অহা ২৪ ঘণ্টাত অসমৰ প্ৰায়বোৰ ঠাইতে গৰম আৰু আৰ্দ্ৰতা বেছি হোৱাৰ লগতে সৰ্বোচ্চ তাপমাত্ৰা স্বাভাৱিকতকৈ ৫ৰ পৰা ৭ ডিগ্ৰী চেলছিয়াছৰ অধিক হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত দুই এঠাইত গ্ৰীষ্ম প্ৰবাহৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

00000

সমাপ্ত